# The Disang River – Pollution, Conservation and My Experience

# দিচাং নৈ – প্ৰদূষণ, সংৰক্ষণ আৰু মোৰ অভিজ্ঞতা

সুজলা - সুফলা শস্য-শ্যামলা মলয়জ-শীতলা, গিৰিমালা - বিনন্দিতা, ৰাজ্যভূমি অসম প্ৰকৃতিৰ লীলাভূমি। প্ৰকৃতিয়ে অসমৰ বুকুত সোণ সজাইছে, সোণ ফলাইছে। কেঁচা সোণ, বগা সোণ, কলা সোণেৰে অসম ঐশ্বৰ্যমণ্ডিত অসমৰ বালিয়ে, মাটিয়ে, নৈয়ে জানে-জুৰিয়ে কেৱল সোণ আৰু সোণ। এই সোণ বুটলি অসমীয়া জাতি এসময়ত ঐশ্বৰ্যশালী হৈছিল।

নদীমাতৃক অসমভূমিত সকলো আছিল সকলোৱে আছে কিন্তু একোৱে নাই, ভাগ্যৰ বিপৰ্যয়, এই বিপৰ্যয় কোনে ঘটালে? তাৰ উত্তৰ নদীয়ে। নদীয়ে অসমক সুজলা, সুফলা শস্য-শ্যামলা কৰি অসমৰ বুকুত সোণ সজাই জগতৰ ঈৰ্ষাৰ পাত্ৰ কৰি তুলিছিল; আজি পুতৌৰ পাত্ৰ কৰি তুলিছে; আমোঘা গৰ্ভসম্ভূত শান্তনু-কুল-নন্দন ব্ৰহ্মপুত্ৰৰ কুটিল দৃষ্টিয়ে অসমক জোকলোকা-জোকালোকে পানী খুৱাই, জীৰ্ণ-শীৰ্ণ কৰি তুলিছে। এই চিৰ কল্যাণকামী ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ উপনৈ হ'ল - দিচাং।

সুন্দৰৰ অলৌকিক মহিমাৰ ছন্দময় প্ৰকৃতিৰ বুকুত সুন্দৰৰ সৌন্দৰ্যৰ জ্যোতিৰ্ময় মেলা পাতি প্ৰকৃতিৰ লাৱণ্যময়ী ৰূপৰ মাধুৰ্যই মানুহৰ মনত আলোড়নৰ সৃষ্টি কৰা এই দিচাং নৈৰ উৎপত্তি হৈছিল - প্ৰাকৃতিক সৌন্দৰ্যৰে বিমোহিত কৰা অৰুণাচল প্ৰদেশৰ তিৰাপ জিলাৰ অন্তৰ্গত দক্ষিণ আংমৰি পাটকাই পৰ্বতমালাৰ পৰা ৪৩০০ মিটাৰ ওখ মুম শৃংগৰ পৰা। পাটকাই পৰ্বতৰ পৰা কুলু-কুলু ধ্বনিৰে বৈ আহি এই দিচাং নৈখন অসম আৰু অৰুণাচল সীমান্ত

বৈ আহি দিল্লী নদীৰ লগ লৈ নামছাঙৰ দিল্লী ঘাট হৈ নামছাং ৰেলৰ পৰা এক কিলোমিটাৰ দক্ষিণে বৈ গৈ সাৱেখিয়াতী বনাঞ্চলৰ মাজেৰে লংপাতিয়া হৈ টিয়ক নদীৰ লগ হৈছে। এই চকলা-চকলি দিচাং নৈখন ইয়াৰ ৩০ কিলোমিটাৰ দক্ষিণ-পশ্চিম দিশত বৈ গৈ টেওকাক নদীৰ লগ হয়। আকৌ প্ৰাকৃতিক সৌন্দৰ্যৰ মাজেৰে ১২ কিলোমিটাৰ আহি চফ্ৰাই নদীৰ সৈতে লগ লাগি; পাঁচ কিলোমিটাৰ তৈয়াই নগুলোমাৰা হৈ ৰজাআলিত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হয়। ইয়াৰ বিপৰীতে পাঁচ কিলোমিটাৰ আইমকুটীয়াৰ পাৰেদি বৰ পাটেকী জানৰ লগ হয়। দিচাং নৈ দিমৌ নদীৰ লগ হৈ পাঁচ কিলোমিটাৰ তৈয়াই আহি দিচাংমুখত ব্ৰহ্মপুত্ৰত পৰিছে। দিচাং নদীৰ দৈৰ্ঘ্য হ'ল ২৩০ কিলোমিটাৰ আৰু অৱবাহিকাৰ কালি হ'ল ৩,৯০০০ বৰ্গ কিলোমিটাৰ।

পৰিৱেশেই প্ৰাণৰ ধাৰক জীৱনী শক্তিৰ যোগান ধৰা উৎস। পৰিৱেশ বা পাৰিপাৰ্শ্বিকতাৰ আৱেষ্টনিৰ লগত প্ৰাণীৰ সম্পৰ্ক যুগ-যুগান্তৰ ধৰি নিকটৱৰ্তী; যিহেতু প্ৰাণীৰ অস্তিত্ব পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল। সেয়ে পৰিৱেশ বিনষ্ট হ'লে প্ৰাণীও বিনষ্ট হ'ব আৰু জীয়াই থকাৰ পথ ৰুদ্ধ হ'ব। মানুহে নিজৰ নিজৰ প্ৰয়োজন অনুসৰি প্ৰকৃতিক নিজ-নিজ কামত তথা প্ৰাকৃতিক সম্পদক যিদৰে প্ৰয়োগ কৰিছে ঠিক তেনেদৰে প্ৰকৃতিৰ আহত কৰাটোৱে ক্ৰমশঃ সমগ্ৰ প্ৰাণীজগতৰ বাবে সৰ্বনাশী কাৰক হিচাপে চিহ্নিত হৈ পৰিছে। মানুহে যি পৰিৱেশৰ শক্তি আৰু দীৰ্ঘদিন ধৰি মানুহে অনুধাৱন কৰা নাছিল। প্ৰকৃতিৰ ওপৰ অবাধ্য বিনষ্ট হোৱাৰ ফলত পানী প্ৰদূষিত হয়। বিশেষকৈ আজিকালিৰ দিনত যিদৰে মানুহৰ জনসংখ্যা বৃদ্ধি

পাইছে। ঠিক তেনেদৰে তেওঁলোকৰ প্ৰয়োজনসমূহৰ ক্ষতি হৈছে।
মানুহ এক স্বাৰ্থপৰ জীৱ যিয়ে কেতিয়াবা তেওঁলোকে সহজে কৰিব পাৰে, যাৰ ফলত পৰিৱেশ বিনষ্ট হৈছে সামগ্ৰিক কিন্তু সেই কামটো তেওঁলোকে কৰিবই। নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে মানুহে সদায় যেনে সকলো কাম কৰে। মানুহে প্ৰাকৃতিক সম্পদবোৰক লৈয়ে জীৱন নিৰ্বাহ কৰে। কিন্তু মানুহবোৰেই মূল কাৰণ যাৰ বাবে দিন প্ৰতিদিনে প্ৰদূষিত হৈছে।
দিহিং নৈৰ কাষত থকা মানুহবোৰৰ ঘৰৰ লেতেৰা আৱৰ্জনাবোৰ পানীত উটুৱাই দিয়ে। কৃষিকাৰ্যত ব্যৱহাৰ হোৱা ৰাসায়নিক পদাৰ্থ কেতিয়াবা পানীত মিহলি হোৱা দেখা যায়। তদুপৰি এতিয়া মাত্ৰ ডি -গুদামসমূহ অঞ্চলবোৰ বে যেন্না দিন প্ৰতিদিনে ডিব্ৰুগড়ৰ ১ নং কোম্পানী গুৱাহাটী পৰা ৩ নং কোম্পানী গুৱাহাটীলৈ প্ৰদূষিত বুলি জনা যায়। এই গাঁও দুমনত ২২৮ ঘৰ মানুহ বসতি কৰি আছে। গাঁওত দুমনৰ মুঠ জনসংখ্যা হ'ল - ১১৩৪। এই অঞ্চলৰ মানুহবোৰে ইয়াত গা ধোৱে, কাপোৰ ধোৱে, পোহনীয়া জীৱ-জন্তু থাকিলে সেইবোৰক এই পানীৰে পৰিষ্কাৰ কৰা হয়। ইয়াৰ ফলত পানী অপৰিষ্কাৰ বা লেতেৰা হৈ পৰে। নৈৰ পানীত বহুতো ক্ষতিকাৰক বস্তু মিহলি হৈ থকাৰ বাবে এই পানী খোৱাৰ বাবে অনুপযোগী হৈ পৰে।
নদীসমূহ বৰ্জনীয় দ্ৰব্য কৃষিকাৰ্যত প্ৰয়োগ হোৱা নানাবিধ ৰাসায়নিক সামগ্ৰী, তেল আদি বহুতো বৰ্জিত পদাৰ্থই নদীসমূহক দূষিত কৰা মূল কাৰণ। গৰাখহনীয়া আন এক প্ৰদূষণৰ মূল কাৰণ। গৰাখহনীয়াৰ ফলত মানুহৰ ঘৰ বাৰী পানীত জাহ যোৱা দেখা গৈছে। বান বানপানী প্ৰদূষণৰ আন এটা কাৰণ। বানপানীৰ ফলত

মানুহৰ ঘৰ বাৰী চকি-চামনী সকলো পানীত উটি আহে। আৰু এইসমূহ এই পানীৰ ব্যৱহাৰ সকলোৱে কামতে কৰিব নোৱাৰি। পানীত বহুতো বীজাণু থাকে ইয়াৰ ব্যৱহাৰে মানুহৰ দেহত ৰোগ সৃষ্টি কৰিব পাৰে। সেইকাৰণে বানপানী প্ৰদূষণৰ অন্যতম এক মূল কাৰণ।

জল প্ৰদূষণ অগ্ৰসৰমান সভ্যতাৰ অন্যতম এক অভিশাপ। বিশেষকৈ বৰ্তমানৰ দ্ৰুত শিল্পোন্নয়নৰ বাবে নদীৰ পানী সৰবৰাহ আৰু আৱৰ্জনা নিক্ষেপনে দিচাং নৈক দূষিত কৰি তুলিছে। জল প্ৰদূষণৰ বাবে জনস্বাস্থ্য বিপন্ন হোৱাৰ সম্ভাৱনাৰ সমস্ত বিজ্ঞানী সকলে সাৱধান কৰিছে। চৰকাৰে ইয়াৰ প্ৰতি লক্ষ্য ৰাখি বহুতো পদক্ষেপ হাতত লৈছেও দেখা গৈছে। তেওঁলোকে এই দিচাং নৈৰ পানীক ব্যৱহাৰযোগ্য কৰি তুলিবলৈ প্ৰচেষ্টা চলাই আছে। দিচাং নৈৰ কাষত থকা মানুহসকলে সজাগ আৰু সচেতন হ'ব লাগিব, ইয়াৰ প্ৰতি বিশেষ নজৰ দিব লাগিব যাতে কোনো বিষাক্ত বস্তু পানীত মিহলি হৈ নপৰে, পানীত কিবা বস্তু পেলোৱাৰ আগতে ভালকৈ চিন্তা কৰিব লাগিব, প্ৰদূষণ বৃদ্ধি হোৱাৰ বাবে উন্নত দেশসমূহে বিশেষকৈ লেতেৰা পানী কৃষিভূমিত ব্যৱহাৰ কৰিবলৈ লৈছে। এনে কাৰ্যৰ ফলত নদ, নদী, ইত্যাদি সকলোবোৰতে অলপ হলেও প্ৰদূষণ বৃদ্ধি হৈছে। চৰকাৰে দিচাং নৈৰ প্ৰদূষণৰ প্ৰতি লক্ষ্য ৰাখি যদি উচিত নিয়ন্ত্ৰণ ব্যৱস্থা লয় তেনেহ'লে অতি সোনকালে দিচাং নৈ পৰিষ্কাৰ হৈ পৰাৰ সম্ভাৱনা আছে। ইয়াৰ লগতে সকলো মানুহবোৰে এই প্ৰদূষণৰ প্ৰতি লক্ষ্য ৰাখি কামকাজ কৰিব লাগিব। সকলোতকৈ আৱশ্যক হৈছে মানুহক সজাগ কৰি তোলা।

মানুহজনৰ যেতিয়া সজাগ হ'ব তেতিয়াহে প্ৰদূষণৰ সমস্যা নোহোৱা হ'ব। মানুহৰ প্ৰতিভাৰ উৎকৰ্ষই কোনো কোনো ক্ষেত্ৰত প্ৰকৃতিৰ দুৰ্দম শক্তিক নিয়ন্ত্ৰণ কৰিবলৈ সম্পূৰ্ণ পৰিমাণে হলেও সক্ষম হৈছে। ভাৰতত নদী উপত্যকা আঁচনি গ্ৰহণ কৰি দামোদৰ ভেলী প্ৰজেক্ট, ভাক্ৰা-নাংগল প্ৰজেক্ট আৰু অন্যান্য নৈ উপচৈ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰি মান মহল উপকৃত হৈছে। বহুতো দেশত নৈ উপচৈসৰক সংৰক্ষণ কৰি মানুহৰ কল্যাণৰ কামত ব্যৱহাৰ কৰা হৈছে। অসমতো বহুতো নদীসংক্ষ প্ৰকল্প আৰম্ভ কৰিছে। অৱশ্যে কেতিয়ালৈ এই ~~প্ৰকল্প~~ প্ৰকল্পৰ সুফল জনতাই লাভ কৰিব সেইয়া এতিয়ালৈ নিশ্চয় কৰিব পৰা নাযায়, কেন্দ্ৰীয় চৰকাৰৰ অসমৰ প্ৰতি আওকণীয়া, অমনোযোগী মনোভাৱ, অৱহেলাৰ কাৰণে এতিয়াও অসমৰ নৈ উপচৈসমূহৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা হোৱা নাই। যদিহে এই ~~নদ~~ নৈ উপচৈনেৰ লগে দিয়াং নৈ এনেবিধৰ নৈবোৰক যদি নিয়ন্ত্ৰণ কৰিব পাৰি তেনেহলে প্ৰচুৰ পৰিমাণৰ জলবিদ্যুৎ উৎপাদন হ'ব আৰু বানপানী যাৰ ফলত পানীয়ো প্ৰদূষিত হয় এই কৰাল গ্ৰাসৰ পৰাও অসমে মুক্তি পাব। সেইকাৰণে নৈ উপচৈ ~~ক~~ সংৰক্ষণ এক বিশাল দায়িত্ব। ঠিক তেনেদৰে দিচাং নৈৰ সংৰক্ষণৰ কাৰণেও যদি সকলোৱে মিলি-জুলি কাম কৰে তেতিয়া অতি সোনকালে এই নৈখন

আগৰ অৱস্থালৈ ঘূৰি আহিব। দিচাং নৈৰ সংৰক্ষণ বস্তুত প্ৰয়োজনীয় ব্যৱস্থা ইয়ান লোনকাপলে যদি এই নৈখন প্ৰদূষণৰ পৰা ৰক্ষা কৰিব দৰে হৈ পৰে তেতিয়া আমাৰ পৰৱৰ্তী প্ৰজন্মই এই নৈৰ সৌন্দৰ্য উপভোগ কৰা সুবিধা হেৰুৱাই পেলাব। কিন্তু আমি এনে হ'ব দিব নোৱাৰো সেইবাবে চৰকাৰেও এই সমস্যাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়াতো উচিত।

মোৰ নিজৰ অভিজ্ঞতাৰ পৰা ক'ব বিচাৰো যে দিচাং নৈৰ সৌন্দৰ্য সঁচাকৈ মনমোহা। দিচাং নৈখন দেখিবলৈ বৰ ধুনীয়া। পাটকাই পৰ্বতৰ পৰা বৈ অহা এই নৈখনে সকলোকে অৰ্থাৎ আৰু অঞ্চলৰ লোকসকলক জল প্ৰদান কৰে। তাৰ যোগেৰে বৈ যোৱা এই নৈখন যদিও দেখিবলৈ ধুনীয়া কিন্তু তেতিয়া ই বৰ্তমান বিষাদৰ সন্মুখীন হৈ আছে। প্ৰাণীৰ বাবে পানীয়েই প্ৰাণ। কিন্তু এই কথা উপলব্ধি কৰিও মানুহে প্ৰদূষণ কৰিবলৈ সংকোচ নকৰে। আৰু এইবাবে আজি দিচাং নৈৰ এই অৱস্থা হৈছে। মোৰ মানুহবোৰক দেখি এনেকুৱা লাগে যে সিহঁতে নিজকে কেতিয়াবা দুখীৰ স্থানত থৈও পাইছে। কিন্তু নজনাকৈয়ে তেওঁলোকে প্ৰকৃতিৰ বস্তুত

অনিষ্ট কৰি আছে । সন্দেহ নাই যে বৰ্তমান আধুনিক জীৱনযাত্ৰাৰ সৈতে খাপ খুৱাই জল প্ৰদূষণ ৰোধ এই উভয় দিশৰ প্ৰতি লক্ষ্য ৰাখি চলাটো কঠিন কিন্তু তথাপিও আমি দুয়ো দিশৰ প্ৰতি নজৰ দিব লাগিব অন্যথা দিচা।০ নিম্ন পানীয়ে গোপন ব্যাধিৰ দৰে সৃষ্টি অহাৰ বিলম্বত সেই অঞ্চলৰ লোকসকলৰ বিস্তৰ ক্ষতি কৰিব । সেইবাবে অনুগ্ৰহ সজাগ আৰু সচেতন হ'ব লাগে যাতে ভৱিষ্যতে তেওঁলোক কোনো বিপদৰ সন্মুখীন হ'ব নালাগে ।

Name - Nikita Lahkar

Class - VIII

Group - A

School - Modern High School,
(Geetanagar, Guwahati-20)